**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**

**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ পঞ্চম বিষয় ঃ ভাষা-১ (অসমীয়া) চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - ব্যাবহাৰিক ব্যাকৰণ (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীসকলে পাঠৰ অন্তৰ্গত নতুন বা কঠিন শব্দৰ অৰ্থ জানি বাক্যত প্ৰয়োগ কৰিব জনা।

⇨ বিপৰীতাৰ্থক শব্দ লিখিব পৰা।

⇨ যুক্তাক্ষৰ ভাঙিব পৰা আৰু যুক্তাক্ষৰযুক্ত শব্দ গঠন কৰিব পৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) ওজা-পালি | - | পাঠ নং ১৩ |
| খ) সৰু ছোৱালী আৰু পখী | - | পাঠ নং ১৪ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত ‘শিক্ষাৰ অধিকাৰ আইন-২০০৯’ অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱাৰ প্ৰতি আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

২০১৭ চনৰ গুণোৎৱৰ মূল্যায়ন তথ্য পৰ্যৱেক্ষণ কৰি দেখা গৈছে যে পঞ্চম শ্ৰেণীৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পাঠৰ অন্তৰ্গত ব্যাৱহাৰিক ব্যাকৰণৰ দক্ষতা আহৰণ কৰাত ব্যৰ্থ হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ ব্যাকৰণৰ জ্ঞান থাকিলেহে ভাষাটো শুদ্ধভাৱে আয়ত্ত কৰিব পাৰিব। ব্যাকৰণ বুলিলে সাধাৰণ অৰ্থত আমি ভাষা এটাৰ ধ্বনি, বৰ্ণ, শব্দ, শব্দৰ সাধন, ব্যাকৰ গঠন আদিৰ ক্ষেত্ৰত ব্যৱহৃত নীতি-নিয়মসমূহকে বুজোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ ভাষা এটা সাৱলীলভাৱে আৰু শুদ্ধভাৱে কোৱা আৰু লিখাৰ দক্ষতা অৰ্জনৰ বাবে ব্যাকৰণৰ জ্ঞান থকাটো নিতান্তই প্ৰয়োজনীয়।

গুণোৎসৱৰ মূল্যায়ন পৰ্যালোচনা কৰি দেখা গৈছে যে পঞ্চম শ্ৰেণীৰ কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ যুক্ত শব্দ, বিপৰীত অৰ্থ বুজোৱা শব্দ, পাঠত পোৱা নতুন বা কঠিন শব্দৰ বাক্যত প্ৰয়োগ কৰিব নাজানে। শিকনৰ এই ধূসৰ দিশসমূহ চিনাক্ত কৰি ছাত্ৰ-ছাত্ৰীৰ এই দিশৰ বিকাশত বিশেষভাৱে যত্ন লোৱাৰ দৰকাৰ। এইক্ষেত্ৰত আমাৰ শিক্ষকসকলৰ যথেষ্ট কৰণীয় আছে। ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিত উল্লিখিত অনুশীলন বা ক্ৰিয়া-কলাপৰ উপৰিও আৰু কিছু অতিৰিক্ত ক্ৰিয়া-কলাপ আৰু অনুশীলন আমি শিক্ষকসকলে কৰাৰ লাগে যাতে তেওঁলোকৰ এই শিকন ঘাটিসমূহ দূৰ কৰিব পৰা যায়। গতিকে ছাত্ৰ-ছাত্ৰীসকলে ব্যৱহাৰিক ব্যাকৰণৰ অৰ্হতাসমূহ ভালদৰে আয়ত্ত কৰি যাতে ব্যৱহাৰ কৰিব পাৰে তালৈ লক্ষ্য ৰাখি আমি শিক্ষক হিচাপে কৰিব পৰা শিকন পৰিকল্পনা আৰু ক্ৰিয়া- কলাপেৰে এই সমল সামগ্ৰীটো সজোৱা হৈছে।

**ওপৰত উল্লিখিত শিকন ফলাফলসমূহৰ গুৰুত্ব ঃ**

⇨ ছাত্ৰ-ছাত্ৰীসকলৰ পাঠ এটি বোধগম্য হ’বলৈ পাঠত থকা নতুন/কঠিন শব্দবোৰৰ অৰ্থ জনাটো অতি গুৰুত্বপূৰ্ণ। পাঠত থকা নতুন/কঠিন শব্দবোৰৰ অৰ্থ জানিলেহে তেওঁলোকে পাঠোদ্ধাৰ কৰিব পাৰিব আৰু সেই শব্দবোৰৰ অৰ্থ জানি বাক্যত প্ৰয়োগ কৰিব পাৰিব। গতিকে আমি শিক্ষকসকলে অতিৰিক্ত সমল প্ৰস্তুত কৰি

পাঠদান কৰাত গুৰুত্ব দিব লাগিব।

⇨ ছাত্ৰ-ছাত্ৰীসকলে বিপৰীত অৰ্থ বুজোৱা শব্দৰ বিষয়ে অৱগত হ'ব আৰু সেইবোৰ বাক্যত সঠিক ৰূপত ব্যৱহাৰ কৰিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীসকলে যুক্তাক্ষৰ ভাঙিব পাৰিব আৰু যুক্তাক্ষৰযুক্ত শব্দ গঠন কৰিব পাৰিব।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

⇨ এই সমল সামগ্ৰীৰ জৰিয়তে শ্ৰেণীকোঠাত ব্যাৱহাৰিক ব্যাকৰণ সফলভাৱে শিকাবলৈ কেনেদৰে পৰিকল্পনা কৰা হয় সেই কথা জানিব পাৰিম। লগতে উল্লিখিত শিকন ঘাটিসমূহ পূৰণৰ বাবে শ্ৰেণীকোঠাত নতুন কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

⇨ ক্ৰিয়া-কলাপ আৰু অনুশীলনেৰে নতুন শব্দবোৰৰ অৰ্থ প্ৰকাশ কৰাৰ লগতে সেইবোৰ বাক্যত সঠিক ৰূপত প্ৰয়োগ কৰিবলৈ শিকাব পাৰিম।

⇨ বিপৰীত অৰ্থ বুজোৱা শব্দ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰিবলৈ দিব পাৰিম।

**বিকাশৰ ব্যৱস্থাৱলী ঃ**

শিকনৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধন কৰিবলৈ ক্ষেত্ৰ অধ্যয়ন, ক্ৰিয়া-কলাপ, অনুশীলন আদিৰ ব্যৱস্থা লোৱা প্ৰয়োজন।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল—**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ১) পাঠত থকা নতুন/ কঠিন শব্দৰ অৰ্থ জানিব আৰু বাক্যত ব্যৱহাৰ কৰিব পাৰিব। | ⇨ পাঠ্যপুথি-অংকুৰণ<br>⇨ নতুন/কঠিন শব্দ থকা কাৰ্ড<br>⇨ বাক্যসহ নতুন শব্দৰ তালিকা<br>⇨ ব্লেক বোৰ্ড | ক্ৰিয়া-কলাপ | ১) 'ওজা-পালি' 'সৰু ছোৱালী আৰু পখী' পাঠত থকা তলত দিয়া নতুন/ কঠিন শব্দবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্য সাজা।<br>অনুষ্ঠান, আখ্যান, বোধগম্য, ধেমেলীয়া, সুৰসিক, উদৰ, হৰসিত ততালিকে | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ২) বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পাৰিব। | ⇨ পাঠ্যপুথি-অংকুৰণ<br>⇨ বিপৰীত অৰ্থ বুজোৱা শব্দৰ তালিকা<br>⇨ ব্লেক বোৰ্ড | ক্ৰিয়া-কলাপ | ২) তলত দিয়া শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা—<br>আকাশ, ভাল, ধৰ্ম<br>উত্তম, আকৰ্ষণ, শুৱলা<br>৩) শব্দ তালিকাত থকা শব্দবোৰৰ লগত বিপৰীত অৰ্থবুজোৱা শব্দবোৰ মিলাই লিখা।<br>**শব্দ** — **বিপৰীত অৰ্থ বুজোৱা শব্দ**<br>পোহৰ — কান্দোন<br>হাঁহি — ৰাতি<br>ওখ — দুখীয়া<br>দিন — দুৰ্বল<br>ধনী — আন্ধাৰ<br>সবল — চাপৰ | |

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ৩) যুক্তাক্ষৰযুক্ত শব্দবোৰ ভাঙি দেখুৱাব পাৰিব আৰু যুক্তাক্ষৰ ব্যৱহাৰ কৰি শব্দ গঠন কৰিব পাৰিব। | ⇨ পাঠ্যপুথি-অংকুৰণ<br>⇨ ক'লা ফলক<br>⇨ যুক্তাক্ষৰযুক্ত শব্দ কাৰ্ড<br>⇨ যুক্তাক্ষৰযুক্ত শব্দৰ তালিকা | ক্ৰিয়া-কলাপ | ৪) "ওজা-পালি" পাঠটোত থকা যুক্তাক্ষৰবোৰ বাচি উলিয়াই ভাঙি দেখুওৱা আৰু যুক্তাক্ষৰকেইটাৰে নতুন শব্দ গঠন কৰি একোটাকৈ বাক্য সাজা।<br>৫) তলত দিয়া যুক্তাক্ষৰবোৰ ব্যৱহাৰ কৰি একোটাকৈ শব্দ গঠন কৰা।<br>ষ্ঠ, স্থ, ম্প, ষ্ট, ণ্ঠ | |

**ক্ষেত্ৰ অধ্যয়ন ঃ**

অসীম গগৈ শিৱসাগৰ জিলাৰ এখন প্ৰাথমিক বিদ্যালয়ৰ অসমীয়া ভাষা বিষয় পঢ়ুওৱা শিক্ষক। তেখেতে পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক 'ওজা-পালি' পাঠটো পঢ়ুৱাওঁতে দেখিলে যে প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পাঠটোত থকা কিছুমান কঠিন শব্দৰ অৰ্থ জনা নাই। সেই শব্দবোৰৰ অৰ্থ নজনাৰ বাবে তেওঁলোকৰ পাঠটো বুজাত অসুবিধা হৈছে। গতিকে এই সমস্যা সমাধানৰ বাবে গগৈ চাৰে কেনেধৰণৰ ব্যৱস্থা লৈছিল চাওঁ আহক।

প্ৰথমতে গগৈ ছাৰে তলত দিয়া ধৰণৰ কিছুমান সঁজুলি প্ৰস্তুত কৰি লৈছিল—

(১) পাঠত থকা নতুন শব্দৰ অৰ্থযুক্ত শব্দ কাৰ্ড
(২) নতুন শব্দৰ অৰ্থসহ বাক্যৰ তালিকা
(৩) নতুন শব্দৰ বিপৰীতে অৰ্থযুক্ত শব্দৰ তালিকা
(৪) ব্লেক বোৰ্ড

গগৈ ছাৰে শ্ৰেণীত কি কৰিলে তাৰ বৰ্ণনা তেওঁৰ মুখৰ পৰাই শুনোঁ আহক—

"মই পঞ্চম শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলক 'ওজা-পালি' পাঠটো পঢ়ুৱাওঁতে তেওঁলোকক পাঠত থকা নতুন শব্দবোৰ বাছি উলিয়াবলৈ দিছিলোঁ। তেওঁলোকে বাচি উলিওৱা শব্দবোৰ মই বোৰ্ডত লিখি গৈছিলোঁ আৰু তেওঁলোককো নিজ নিজ বহীত লিখি ল'বলৈ দিছিলোঁ। মই তেওঁলোকক সেই শব্দবোৰৰ অৰ্থ সোধাত কেইজনমান ছাত্ৰ-ছাত্ৰীয়েহে শুদ্ধভাৱে উত্তৰ দিব পাৰিছিল।

ইয়াৰ পাছত মই ছাত্ৰ-ছাত্ৰীসকলক তিনিজনীয়া একোটাকৈ দলত ভাগ কৰি লৈছিলোঁ আৰু যিকেইজন ছাত্ৰ-ছাত্ৰীয়ে শব্দবোৰৰ অৰ্থ ক'ব পাৰিছিল তেওঁলোকক প্ৰতিটো দলৰে দলপতি পাতি দিছিলোঁ। মই প্ৰতিটো দলকে দলপতিৰ সৈতে আলোচনা কৰি ব'ৰ্ডত সেই শব্দবোৰৰ অৰ্থ লিখিবলৈ দিছিলোঁ আৰু তেওঁলোকক অভিধান ব্যৱহাৰ কৰিবলৈও উৎসাহিত কৰিছিলোঁ। ইয়াৰ পাছত মই প্ৰতিটো দলৰে প্ৰতিজন ছাত্ৰক সেই শব্দটো ব্যৱহাৰ কৰি একোটা বাক্য ৰচনা কৰিবলৈ দিছিলোঁ। প্ৰতিটো দলৰ প্ৰতিজন ছাত্ৰই নিজৰ দলত আলোচনা কৰি একোটাকৈ বাক্য ক'বলৈ যত্ন কৰিছিল আৰু ভুল হ'লে মই তেওঁলোকক সহায় সহযোগ কৰিছিলোঁ। এনেদৰে মই শ্ৰেণীকক্ষত প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে জড়িত কৰিছিলোঁ।

এইবাৰ মই অৰ্থসহ একোখনকৈ শব্দ কাৰ্ড প্ৰতিটো দলকে দিছিলোঁ আৰু প্ৰতিটো দলকে কাৰ্ডখনত থকা শব্দটোৰ অৰ্থ পঢ়ি একোটাকৈ বাক্য সাজিবলৈ দিছিলোঁ। তেওঁলোকক প্ৰত্যেককে মই বাক্যটো শুদ্ধভাৱে ক'ব আৰু লিখিবৰ বাবে উৎসাহিত কৰিছিলোঁ আৰু ভুল হ'লে শুধৰাই দিছিলোঁ।

ইয়াৰ পিছত মই নিজে প্ৰস্তুত কৰি অনা 'ওজা-পালি' পাঠটোত থকা নতুন শব্দবোৰৰ অৰ্থসহ বাক্যৰ

তালিকাখন ছাত্ৰ-ছাত্ৰীসকলৰ আগত দাঙি ধৰিলোঁ। প্ৰথমতে মই প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে শুনাকৈ শুদ্ধ উচ্চাৰণেৰে, স্পষ্টভাৱে পঢ়ি শুনালোঁ আৰু প্ৰতিটো দলৰে ছাত্ৰ-ছাত্ৰীক পঢ়ি শুনাবলৈ ক'লোঁ। শুদ্ধকৈ পঢ়াসকলক 'ভাল হৈছে' বুলি কৈ উৎসাহিত কৰিলোঁ আৰু উচ্চাৰণ ভুল হোৱাসকলক শুধৰাই দিয়াৰ লগতে ভালকৈ পঢ়িবলৈ উৎসাহিত কৰিলোঁ। সকলোৱে পঢ়াৰ অন্তত মই শব্দ আৰু বাক্যবোৰ প্ৰত্যেককে নিজৰ বহীত লিখি ল'বলৈ দিলোঁ।

এইবাৰ মই ছাত্ৰ-ছাত্ৰীসকলক বিপৰীত শব্দৰ ধাৰণা দিবলৈ পাঠত থকা কিছুমান শব্দ বোৰ্ডত লিখি দিছিলোঁ আৰু ছাত্ৰ-ছাত্ৰীসকসক সেই শব্দবোৰৰ বিপৰীতে অৰ্থ বুজোৱা শব্দবোৰ ক'বলৈ দিছিলোঁ। তেওঁলোকে কোৱা শুদ্ধ শব্দবোৰ মই বোৰ্ডত লিখি দি তেওঁলোকক উৎসাহিত কৰিছিলোঁ আৰু ভুল হ'লে শুধৰাই দিছিলোঁ।

মই এখন চাৰ্ট পেপাৰৰ বাওঁফালে কিছুমান শব্দ লিখি নিছিলোঁ।

ইয়াৰ পাছত তালিকাখন সকলোকে এজন এজনকৈ পঢ়িবলৈ দিয়াৰ লগতে গৃহকৰ্ম হিচাপে বোৰ্ডত লিখা কিছুমান শব্দৰ বিপৰীত শব্দবোৰ লিখি আনিবলৈ দিলোঁ।

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ শ্ৰেণীকোঠাত অসীম গগৈয়ে দল-গঠন কৰি শিকন কাৰ্যকলাপত ছাত্ৰ-ছাত্ৰীক জড়িত কৰাৰ বাবে কি কি সুবিধা হৈছিল?

⇨ ছাত্ৰ-ছাত্ৰীসকলে ক্ৰিয়া-কলাপটো কৰি আনন্দ পাইছেনে?

⇨ ছাত্ৰ-ছাত্ৰীৰ শিকন ফলাফলৰ দুৰ্বলতা আঁতৰ কৰিবলৈ আমিও কিবা নতুন ক্ৰিয়া-কলাপৰ সহায় ল'ব নোৱাৰোঁনে?

**ক্ৰিয়া-কলাপ ঃ**

প্ৰস্তুতি ঃ এই ক্ৰিয়া-কলাপটো শ্ৰেণীকোঠাত কৰোৱাৰ আগতে তলত দিয়া শিক্ষণ-শিকন সামগ্ৰীসমূহ প্ৰস্তুত আৰু সংগ্ৰহ কৰি ল'ব লাগিব।

**শিক্ষণ-শিকন সামগ্ৰী ঃ**

⇨ পাঠ্যপুথি

⇨ পাঠ্যপুথিৰ অন্তৰ্গত পাঠৰ কথা সন্নিৱিষ্ট দফাৰ টুকুৰা

⇨ শব্দ কাৰ্ড

প্ৰথমতে ছাত্ৰ-ছাত্ৰীসকলক যুৰীয়াকৈ দলত ভাগ কৰি প্ৰতিটো দলকে পাঠ্যপুথি চাই লিখি লোৱা একোখনকৈ দফাযুক্ত কাৰ্ড দিব। প্ৰতিটো দলকে সেই দফাটোত থকা নতুন/কঠিন শব্দবোৰৰ তলত আঁচ টানি শব্দবোৰ নিজৰ নিজৰ বহীত লিখিবলৈ দিব। ইয়াৰ পিছত প্ৰতিটো দলকে আলোচনা কৰি সেই শব্দবোৰৰ অৰ্থ ক'বলৈ দিব। যদি শব্দৰ অৰ্থ ক'ব নোৱাৰে অভিধান ব্যৱহাৰ কৰিবলৈ দিব আৰু প্ৰয়োজন সাপেক্ষে অভিধান চোৱাত শিক্ষকে সহায় কৰিব। শব্দৰ অৰ্থ জনাৰ পাছত সেই শব্দ ব্যৱহাৰ কৰি অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য সাজিবলৈ দিব। ছাত্ৰ-ছাত্ৰীৰ ভুল হ'লে শিক্ষকে শুধৰাই দিব আৰু শুদ্ধ হ'লে তেওঁলোকক উৎসাহিত কৰিবলৈ তেওঁলোকে কোৱা কথাখিনি ব'ৰ্ডত লিখি দিব।

তাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি ব'ৰ্ডত কিছুমান শব্দ লিখি দিব আৰু প্ৰতিটো দলকে এই শব্দবোৰৰ পৰা বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ ক'বলৈ দিয়াৰ লগতে টোকাবহীত লিখিবলৈ দিব। এনেদৰে বেলেগ বেলেগ শব্দ লৈ কাৰ্যটো কেইবাবাৰো কৰাব পাৰি।

***বিশেষ দ্ৰষ্টব্য ঃ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।***

**সাৰাংশ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটি থকা বিষয়বোৰ স্পষ্ট হৈছে।

⇨ ছাত্ৰ-ছাত্ৰীয়ে পাঠত পোৱা নতুন/কঠিন শব্দবোৰ বাছি উলিয়াই অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য সাজিবলৈ সক্ষম হৈছে।

⇨ বিপৰীত অৰ্থ বুজোৱা শব্দৰ বিষয়ে ধাৰণা স্পষ্ট হৈছে।

⇨ বিপৰীতে অৰ্থ বুজোৱা শব্দবোৰ পাঠৰ পৰা বাছি উলিয়াবলৈ সক্ষম হৈছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন—

⇨ 'ওজা-পালি' পাঠত থকা তলত দিয়া শব্দবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্য সাজা।

অনুষ্ঠান, আখ্যান, বোধগম্য, ধেমেলীয়া, সুৰসিক।

তলত শব্দ তালিকাত থকা শব্দবোৰৰ লগত বিপৰীত অৰ্থ প্ৰকাশক শব্দবোৰ মিলাই লিখা—

| শব্দ | বিপৰীত অৰ্থ প্ৰকাশক শব্দ |
|---|---|
| পোহৰ | কান্দোন |
| হাঁহি | ৰাতি |
| ওখ | দুখীয়া |
| দিন | দুৰ্বল |
| ধনী | আন্ধাৰ |
| সবল | চাপৰ |

⇨ তলত দিয়া যুক্তাক্ষৰবোৰ ভাঙি দেখুওৱা আৰু প্ৰত্যেকটো যুক্তাক্ষৰ ব্যৱহাৰ কৰি দুটাকৈ শব্দ লিখা।

অনুষ্ঠান, সৌষ্ঠৱ, বৈষ্ণৱ, সুন্দৰী, অৱস্থা

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

⇨ 'সৰু ছোৱালী আৰু পখী' পদ্যটোত থকা তলত দিয়া শব্দবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্য ৰচনা কৰা।

উদৰ, সাউতকৈ, সুললিত, হৰষিত, ততালিকে,

⇨ তলত দিয়া শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।

আকাশ, ভাল, ধৰ্ম, উত্তম, উৰ্ব্বৰ, আকৰ্ষণ, শুৱলা।

⇨ তলত দিয়া যুক্তাক্ষৰবোৰ ব্যৱহাৰ কৰি একোটাকৈ শব্দ লিখা।

ন্দ, দ্ম, স্ব, ষ্ঠ, ষ্ট, ষ্ণ

⇨ তলত দিয়া দফাটোৰ পৰা যুক্তাক্ষৰবোৰ বাছি উলিওৱা আৰু প্ৰতিটো যুক্তাক্ষৰ ব্যৱহাৰ কৰি একোটাকৈ নতুন শব্দ লিখা—

মহা পুৰুষ শংকৰদেৱেও নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে মাজে-সময়ে ওজা-পালিৰ সহায় লৈছিল। তেতিয়াৰে পৰা অসমৰ সত্ৰসমূহত ওজা-পালি নৃত্য প্ৰচলিত হৈ আহিছে। সকলো প্ৰকাৰৰ ওজা-পালিয়ে আমাৰ লোক সমাজত ধৰ্মীয় শিক্ষাৰ লগতে নৈতিক শিক্ষাও প্ৰচাৰ কৰি আহিছে। এনেদৰে ওজা-পালিৰ নিচিনা লোক-নাট্য অনুষ্ঠানে অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰাল চহকী কৰিছে।

**প্ৰসংগ পুথি ঃ**

⇨ পাঠ্যপুথি — অংকুৰণ

⇨ অসমীয়া ব্যাকৰণ প্ৰৱেশ— ড° গোলোক চন্দ্ৰ গোস্বামী

⇨ অসমীয়া ভাষা শিকন পদ্ধতি— মদন শৰ্মা

⇨ বাতৰি কাকত, আলোচনা

⇨ চন্দ্ৰকান্ত অভিধান

*****